Jorhat, Wednesday, December 31, 2025
দৈনিক জনমভূমি

অভিধানৰ সকলো শব্দৰ অৰ্থ সদায় একে নাথাকে। সময়ৰ লগে লগে অৰ্থৰ পৰিৱৰ্তন ভাষাৰ বৈশিষ্ট্য। বৰ্তমান সময়ত 'ৰাজনীতি' শব্দটোৰ অৰ্থ প্ৰয়োজন অনুসৰি সলনি হৈছে। এজন শিক্ষাৰ্থীয়ে ৰাজনীতি বিজ্ঞানত মেজৰ লৈছে বুলি ক'লে প্ৰাথমিক অৰ্থবোধ থাকে যদিও ইয়াৰ অন্তৰালত বহু নেতিবাচক প্ৰশ্নই ক্ৰিয়া কৰিব পাৰে। পাঠ্যক্ৰম হিচাপে ৰাজনীতি বিজ্ঞানত ৰাষ্ট্ৰনীতিৰ...



ৰাজনীতিৰ ভাল-বেয়া আৰু বন্দিত্ব জীৱন

কুশল কুমাৰ দাস

অভিধানৰ সকলো শব্দৰ অৰ্থ সদায় একে নাথাকে। সময়ৰ লগে লগে অৰ্থৰ পৰিৱৰ্তন ভাষাৰ বৈশিষ্ট্য। বৰ্তমান সময়ত 'ৰাজনীতি' শব্দটোৰ অৰ্থ প্ৰয়োজন অনুসৰি সলনি হৈছে। এজন শিক্ষাৰ্থীয়ে ৰাজনীতি বিজ্ঞানত মেজৰ লৈছে বুলি ক'লে প্ৰাথমিক অৰ্থবোধ থাকে যদিও ইয়াৰ অন্তৰালত বহু নেতিবাচক প্ৰশ্নই ক্ৰিয়া কৰিব পাৰে। পাঠ্যক্ৰম হিচাপে ৰাজনীতি বিজ্ঞানত ৰাষ্ট্ৰনীতিৰ কথা থাকে; তাৰে আধাৰত সৃষ্টি হোৱা কূটনীতি নেতিবাচক দৃষ্টিভংগী হ'ব পাৰে। বৰ্তমান সময়ত ৰাজনীতিৰ প্ৰকৃত অৰ্থ আৰু কাৰ্যকুশলতা সলনি হৈছে, শাসনৰ বাবে দায়িত্ব লাভৰ পাছত সমাজৰ কিছুমান সিদ্ধান্ত দ্বাৰা পৰিচালিত হয়। চৰকাৰৰ মাজেৰে শাসনৰ ক্ষমতা আৰু ৰাজনীতিৰ প্ৰভাৱ সকলোতে পৰে। ৰাজনীতিৰ জৰিয়তে ক্ষমতা লাভ কৰাৰ ৰূপত ক্ষমতা লাভৰ পাছত এখন আনুষ্ঠানিক অনুষ্ঠানৰ দৰে চৰকাৰ গঠন হয়, যাৰ দ্বাৰা দেশৰ সকলো সমস্যা আৰু বৈদেশিক সম্পৰ্ক স্থাপনৰ অধিকাৰ লাভ কৰে। ৰাজনীতি বিজ্ঞান বিষয়ৰ অধ্যয়নত শিক্ষাৰ্থীক চৰকাৰৰ পদ্ধতিগত ব্যৱস্থাৰ শিক্ষা দিয়া হয়। ৰাজনীতিৰ বুকুত থাকে সাৰ্বভৌমত্ব, সমাজতন্ত্ৰ, ধৰ্মনিৰপেক্ষ, গণতন্ত্ৰ, জনতাৰ শাসন আদি বিষয় এখন সংবিধানত লিখিত বা মৌখিক ৰূপত থাকে আৰু তাকে কাৰ্যকৰী কৰিব লাগে। সাধাৰণভাৱে চাবলৈ গ'লে ৰাজনীতি সহজ ব্যৱস্থাপনা নহয়। ভাৰতবৰ্ষতহে ৰাজনীতিক সহজভাৱে লোৱা হয়, মানে সকলোৱে ৰাজনীতি কৰিব পাৰে। ৰাজনীতি কৰিবলৈ বয়স কম আৰু ভাৰতীয় নাগৰিক হ'লে হ'ল। অন্য মাপকাঠী সুনির্দিষ্ট ধৰা-বন্ধা নাই; সকলো বিষয়তে ৰাজনীতিৰ সূত্ৰ থাকক বা নাথাকক য'তে-ত'তে হাকুটি মাৰি ৰাজনীতি কৰাত কোনো বাধা নাই, মোৰ সৈতে ৰাজনীতি নকৰিবি, কথাটো ৰাজনীতিৰ মেৰপেঁচত সোমাল, ৰাজনৈতিক ষড়যন্ত্ৰৰ বলি হ'ল, ৰাজনৈতিক হত্যাকাণ্ড, ৰাজনৈতিকভাৱে ভাবমূৰ্তি ম্লান হ'ল। মোৰ লগত ৰাজনীতি কৰি লাভ নাই। ৰাজনীতি কোনে কৰিছে? তুমি নে মই? তেওঁলোকেহে মৰমৰ শিল্পীজনক লৈ ৰাজনীতি কৰিছে। ৰাজনীতিৰ মাজলৈ আনিবই নালাগে। হ'ব নালাগে বা হোৱা নাই বা ৰাজনীতি হৈছে। এইটো সম্পূৰ্ণ পলিটিকেল মেটাৰ; আমাৰ ইয়াত পলিটিকেল মাৰ্ডাৰ বহুত হৈছে, অমুকটোও হৈছে, তহকটোও হৈছে, গতিকে ইয়াৰ উচিত তদন্ত হ'ব লাগে। কাৰ্বি আংলঙত কোনে ৰাজনীতি কৰিছে? 'কাৰ্বি-ৰাভা-বড়ো-তিৰা গ' বেক' কাৰ প্ৰৰোচনাত শ্ল'গান দি আন্দোলনৰ ৰাজনীতি কৰিছে? কথাখিনিৰ পৰা বুজা যায়— এনে অৰ্থত ৰাজনীতি ভাল বস্তু নহয়। অকল ৰাজনীতিৰ কাৰিকৰী অধ্যয়ন যুগ যুগ ধৰি কৰি অহাৰ পাছতো ৰাজনীতিৰ বেয়া দিশবোৰৰ অধ্যয়ন কৰা হয়-নহয়; অৰ্থাৎ এনে বিষয় অধ্যয়ন কৰাসকলক কেতিয়াও ৰাজনীতিৰ কেনেবোৰ কথা বেয়া ৰাজনীতিৰ অন্তৰ্গত হ'ব পাৰে, সেই বিষয়ে এটা বিষয় হিচাপে ৰাজনীতি বিজ্ঞানৰ শিক্ষাৰ্থী এজনক পঢ়ুৱা নহয় বা পঢ়াৰ কোনো ব্যৱস্থাই নাই। ভাৰতবৰ্ষত স্বাধীনোত্তৰ কালৰ পৰা ভাল আৰু বেয়া ৰাজনীতি পাৰ হৈ গৈছে। সেইবোৰৰ পৃথকে পৃথকে আলোচনা কৰিবলৈ গ'লে বাধাৰ সম্মুখীন হোৱাৰ সম্ভাৱনা বেছি। গণতন্ত্ৰত বেয়াক বেয়া বুলি কোৱাৰ অধিকাৰো নাই আৰু ভালক প্ৰশংসা কৰাৰ প্ৰৱণতাও নাই। ৰাজনীতিৰ জ্ঞান লাভ কৰি যদিহে ক্ষমতাৰ ৰাজনীতিত ভৰি দিব লাগে তেনেহ'লে জনতাৰ ৰাজনীতিজ্ঞসকলে কি কাৰণত যিকোনো বিষয়ক ৰাজনীতিকৰণ কৰাত কোনো বাধা নাথাকে? বৰ্তমান সময়ত যিকোনো বিষয়ক ৰাষ্ট্ৰ শাসন কৰা নেতাবোৰে আস্থাভাজনৰ স্বাৰ্থত সকলোতে মুৰ সোমোৱাটো পৰম্পৰা হৈ পৰিছে। মুঠতে জনমানসত নিজৰ প্ৰভুত্ব দেখুৱাবলৈ শৈক্ষিক-সাংস্কৃতিক-ব্যাৱসায়িক ক্ষেত্ৰসমূহত ৰাজনীতিৰ সুবিধা বিচাৰি তালাচ কৰি কেবল মুনাফা আদায়ত নিজক নিয়োগ কৰে। স্পষ্ট কথা যে সুস্থ ৰাজনীতিৰ জয় হোৱাতকৈ বৰ্তমান বেয়া ৰাজনীতিৰ জয়জয়-ময়ময় আৰু ভাল ৰাজনীতি বুলি কথাষাৰৰ কালৰ আঁচোৱত ঠাই নাইকিয়া হৈছে। অৱশ্যে ভাল ৰাজনীতি কৰা নেতা সমাজত জীয়াই আছে, কুটনীতি কৰিব নাজানে বাবে ৰাজনীতিৰ বোকা খেলত ব্যৰ্থ সেইসকলে মুৰ দাঙি উঠিব নোৱাৰে। বোকাত পৰা জনতাক মাতকৰৰ দৰে আচৰণ কৰি সদায়ে বিক্ষিপ্ত চিন্তাৰে ক্ষমতাৰ ৰাগিত আবোল-তাবোল কথা কয়। সেইবোৰ বচন মাতি-পালি পহৰীয়াও উনেশত বা বুলাই ৰাজনীতি কৰে। এজন শিল্পী বা তথাকথিত সমাজ হিতৈষীও বেয়া ৰাজনীতিৰ বলি হ'ব পাৰে। নতুবা ৰাজনৈতিক স্বাৰ্থতি ব্যাঘাত জন্মাব পৰা একোজন ন্যায়ৱান, বুদ্ধিজীৱী, সাহিত্যিক বা দৈনিক শ্ৰম কৰি জীয়াই থকা লোকো ষড়যন্ত্ৰৰ বলি হ'ব পাৰে। গণতন্ত্ৰত শাসনৰ গাদীত বহি থকাসকলে স্বাৰ্থ বিঘ্নিত হ'ব পৰা সকলো বাধা আঁতৰোৱা এক নিৰ্লজ্জ নিয়ম হৈ পৰিছে। মানে কাকো পৰোৱাই নকৰে। ৰজাঘৰৰ ডা-ডাঙৰীয়াসকল সুৰক্ষিত হৈ থাকিবই লাগিব। মানে কূটনৈতিক কোনো বাধা নিৰ্বিঘ্নে মষিমুৰ কৰা নিয়মত পৰিণত হৈছে। ৰাজনীতিত যোগাত্মক বিষয়ক আদৰাব কৌশল আৰু দল কিম্বা নেতাৰ বিপজ্জনক পৰিস্থিতি



এৰাই চলাৰ কৌশল পৃথক। এই ক্ষেত্ৰত ন' কম্প্ৰমাইজ নীতি মানে ৰাজনীতিৰ সহায়ত নিৰ্মূল কৰাত লাগি যায়। ৰাজনীতিৰ পৰা আঁতৰি থকা আৰু ৰাজনীতিৰ বুকুত সোমাই থকা বুলি ক'লে আমি যি অৰ্থৰ অনুভৱ কৰিম; সেয়া কাৰো সৈতে একে নহ'ব। বৰ্তমান সময়ত ৰাজনীতি শব্দৰ অৰ্থ প্ৰধানকৈ ভাল বা বেয়া দ্ব্যৰ্থক ৰূপত বুলি ক'ব পাৰি। সকলোতে ৰাজনীতি মানে বেয়া দিশ কিছুমানৰ প্ৰভুত্ব। ইয়াৰ ব্যাখ্যা ব্যক্তিভেদে বেলেগ। কোনোৱে ইতিবাচক বুলি ল'ব আৰু কোনোৱে নেতিবাচক বুলিও ল'ব। বিশ্বৰ কেইজনমান বিশেষ ৰাষ্ট্ৰনেতা আৰু ৰাজনৈতিক বিশ্লেষকৰ বিখ্যাত উক্তিবোৰত ৰাজনীতিৰ স্বৰূপ সোমাই আছে। আব্ৰাহাম লিংকনে ১৮৬৩ চনত গেটিছবাৰ্গৰ জনতাক সম্বোধন কৰি কৈছিল— চৰকাৰ জনতাৰ আৰু জনতাৰ দ্বাৰা, জনতাৰ বাবে। (government of the people, by the people, for the people)। এনে ভাবনা জনতা আৰু দেশৰ বাবে মহান। ২৭১টা শব্দৰ ভাষণৰ শেষৰ কথাখিনিৰ সৈতে ভাৰতবৰ্ষৰ জনতাৰ ত্যাগৰ মহত্ত্ব আৰু স্বাধীনতা প্ৰাপ্তিৰ অৰ্থপূৰ্ণ সামঞ্জস্য আছে বাবে আজিও বহু ৰাজনৈতিক বিশ্লেষকে লিংকনৰ উক্তি বাবে বাবে ৰোমন্থন কৰি থাকে। স্বাধীনতা উদ্ধাৰত মহান বীৰসকল জনতাৰ সিৰা-উপসিৰাত ঈশ্বৰাত্মা হৈ বৈ থাকে আৰু স্বাধীনতাৰ নতুন সূর্য উদয় হোৱাৰ কথা উল্লেখ কৰি লিংকনে চৰকাৰৰ ধাৰণাৰ বিষয়ে কৈ চমু ভাষণ সামৰণি মাৰিছিল। লিংকনে কৈছিল বেলট বুলেটতকৈয়ো শক্তিশালী। আজিকালি ভোটাৰৰ হাতত বেলটৰ শক্তি নে ৰাজনৈতিক নেতা বা দলৰ হাতত বেলটৰ শক্তি কুক্ষিগত হৈছে? প্ৰতিজন ভোটাৰ প্ৰত্যক্ষ বা পৰোক্ষভাৱে হিতাধিকাৰী হোৱাৰ ফলত গণতান্ত্ৰিক ব্যৱস্থাটোত ঘুণে ধৰা স্বাভাৱিক। কাৰণ হিতাধিকাৰীৰ মন-মগজুত চৰকাৰৰ জয়গানৰ বিপৰীতে আন চিন্তা-চেতনাৰ শুকত্ব নাথাকে। বেলট বা হিতাধিকাৰীক নিজৰ দলৰ পক্ষত চামিল কৰাই ৰাজনৈতিক দলৰ প্ৰধান লক্ষ্য। শাসকীয় দল কিম্বা বিৰোধী দলৰ মূল লক্ষ্য তাতেই নিহিত হৈ থাকে। ভাৰতীয় গণতন্ত্ৰত তেনে ব্যৱস্থাপনা শিখৰত অৱস্থান কৰিছে। উইন্সটন চাৰ্চিলে কোৱা কথাষাৰৰ দ্বাৰাও ভাৰতীয় গণতন্ত্ৰৰ ধাৰণা আজিৰ দিনত বিশুদ্ধ ৰূপত পোৱা সম্ভৱ নহ'ব। তেওঁ কৈছিল—গণতন্ত্ৰৰ বিষয়ে জানিবলৈ পাঁচ মিনিটৰ বাবে মুঠ ভোটাৰৰ কিছুসংখ্যকৰ সৈতে কথা-বাৰ্তা পাতিলে স্পষ্ট হৈ পৰিব। সেই ৰামো নাই অযোধ্যাও নাই। এতিয়া গণতন্ত্ৰৰ স্বৰূপ একপ্ৰকাৰ বিক্ষিপ্ত আৰু প্ৰহেলিকাময় অস্থিৰ আদৰ্শৰে ভৰপুৰ ৰাজনীতি আৰু সমাজনীতি। কাৰণ জনতাই আদৰ্শ আৰু নীতিৰ পাছত দৌৰিব নোৱাৰে; হাত-ভৰি বন্ধা আছে, বিশেষ শক্তিৰ হাতোৱা হৈ জীৱন নিৰ্বাহ নকৰিলে গত্যন্তৰ নাই। নেপোলিয়ন বোনা পাৰ্টে কৈছিল— ৰাজনীতিত দুষ্টামি অক্ষমতা নহয় (In politics studipity is not handicape) পৰৱৰ্তী কালত বোনাপাৰ্টৰ কথাই ৰাজনীতিৰ বুকুত সাৰকথা বুলি ধৰিয়ে বৰ্তমানৰ নেতাবোৰে শাসনৰ সময়ত দুষ্টবুদ্ধিক প্ৰশ্ৰয় দিবলৈ ধৰিলে। চতুৰ সাহসৰ অধিকাৰী নহ'লে ৰাজনীতিত বৰ্তি থকা সম্ভৱ নহয়। সেয়ে ৰাজনীতিত পোনপটীয়া বেখাংকন কেতিয়াও সম্ভৱ নহয়। সময়ৰ লগে লগে ধাৰণাবোৰ পুৰণিকলীয়া হয় আৰু নতুন নীতিয়ে আগস্থান পায়। ক্ষমতা ধৰি ৰখাৰ বাবে ৰাজনীতিত পুৰণিকলীয়া ব্যৱস্থাবোৰৰ অপমৃত্যু ঘটে। সেয়ে বৰ্তমান সময়ত উন্নয়ন, বেদখল উচ্ছেদ, শিক্ষা-স্বাস্থ্য, হিতাধিকাৰী আদিৰ ৰাজনীতিয়ে মুখ্য স্থান লাভ কৰিছে।

লেখক যোৰহাট মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক
■ ফোন : ৯১০১১২২৬৩৮

ৰ চলাই থকাৰ সময়তে এনে হিংসাত্মক ঘটনাই কি পাছতে ৰাজ্যখনত বিক্ষোভৰ দাবানল জ্বলি উঠিছে। দলে এনে ঘটনা ঘটিয়েই থাকিব।...

মানুহ প্ৰকৃতিৰ এক উপাদান মাত্ৰ, পৃথিৱী কেবল আমাৰ নহয়। এই যে উশাহকণো সেয়াও প্ৰকৃতিৰ বাবেহে।

মোলাই

মোলাই কাঠনিক ক্ৰন্দনৰত অৱস্থাত এৰি গ'ল। কাযতে ব্ৰহ্মপুত্ৰ থাকিও যেন নিকপায়। এয়া কেবল এখন অৱণ্যৰ